# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
0000000000

**Date : 24**-12-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ নীতি আয়োগত বিশিষ্ট অৰ্থনীতিবিদসকলৰ সৈতে প্ৰাক বাজেট আলোচনাত মিলিত হয়।
২। এখন দেশ-এটা নিৰ্বাচন সম্পৰ্কীয় বিধেয়ক দুখন চালিজাৰি চোৱাৰ বাবে গঠন কৰা যুটীয়া সংসদীয় কমিটিৰ প্ৰথমখন বৈঠক অহা ৮ জানুৱাৰীত অনুষ্ঠিত হ'ব।
৩। কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত ১০ হাজাৰৰো অধিক নতুনকৈ স্থাপন কৰা বহুমুখী প্ৰাথমিক কৃষি সমবায় সমিতি তথা দুগ্ধ আৰু মীন সমবায় ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে।
৪। যশস্বী চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ অন্ত্যেষ্টিক্ৰিয়া আজি বিয়লি মুম্বাইৰ দাদৰৰ শিৱাজী পাৰ্ক শ্মশানত ৰাজ্যিক মৰ্যদা সহকাৰে সম্পন্ন কৰা হয়। ***আৰু***
৫। আন্তৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ আই চি চিয়ে ২০২৫ বৰ্ষৰ পুৰুষৰ চেম্পিয়নছ ট্ৰফীৰ সূচী ঘোষণা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ নীতি আয়োগত বিশিষ্ট অৰ্থনীতিবিদসকলৰ সৈতে প্ৰাক বাজেট আলোচনাত মিলিত হয়। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণ, নীতি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া, পি ভি আৰ সুব্ৰমন্যম আৰু আন জ্যেষ্ঠ বিষয়াসকল বৈঠকত উপস্থিত থাকে।

২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে প্ৰাক বাজেট আলোচনা যোৱা ৬ ডিচেম্বৰত আৰম্ভ হৈছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে এই প্ৰক্ৰিয়াৰ অংশ হিচাপে বিভিন্ন ৰাজ্যৰ বিত্তমন্ত্ৰী, কৃষক সংস্থা, অৰ্থনীতিবিদ আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া কোম্পানীৰ প্ৰতিনিধিৰ সৈতে আলোচনাত মিলিত হৈছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে পহিলা ফেব্ৰুৱাৰীত লোকসভাত ২০২৫-২৬ বৰ্ষৰ বাজেট উত্থাপন কৰাৰ কথা আছে।

০০০০০

এখন দেশ-এটা নিৰ্বাচন সম্পৰ্কীয় বিধেয়ক দুখন চালিজাৰি চোৱাৰ বাবে গঠন কৰা যুটীয়া সংসদীয় কমিটিৰ প্ৰথমখন বৈঠক অহা ৮ জানুৱাৰীত অনুষ্ঠিত হ'ব। ৩৯ জনীয়া যুটীয়া কমিটিখনত লোকসভাৰ ২৭ জন আৰু ৰাজ্যসভাৰ ১২ জন সদস্য আছে। কমিটিখনে সংসদৰ পৰৱৰ্তী অধিবেশনৰ অন্তিম সপ্তাহৰ প্ৰথম দিনা সদনত প্ৰতিবেদন দাখিল কৰিব। উল্লেখযোগ্য যে, সংবিধানৰ ১২৯ সংখ্যক সংশোধনী বিধেয়ক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক দুখন সংসদৰ সদ্যসমাপ্ত শীতকালীন অধিবেশনত দাখিল কৰা হৈছিল।

০০০০০

কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত ১০ হাজাৰৰো অধিক নতুনকৈ স্থাপন কৰা বহুমুখী প্ৰাথমিক কৃষি সমবায় সমিতি তথা দুগ্ধ আৰু মীন সমবায় ৰাষ্ট্ৰৰ নামত উৎসৰ্গা কৰে। তেওঁ লগতে ৰাষ্ট্ৰীয় সমবায় সন্মিলনত নতুনকৈ স্থাপন কৰা সমবায় সমিতিসমূহৰ মাজত পঞ্জীয়ন প্ৰমাণ পত্ৰ, ৰূপে কিষাণ ক্ৰেডিট কাৰ্ড আৰু মাইক্ৰ' এ টি এম বিতৰণ কৰিব। পঞ্চায়তসমূহত সুলভ ঋণ সেৱা আৰু বিত্তীয় অন্তৰ্ভুক্তিৰ প্ৰসাৰ, গ্ৰামাঞ্চলৰ জনসাধাৰণক বিভিন্ন আঁচনিৰ উপকাৰ প্ৰদান আৰু ৰাষ্ট্ৰৰ অৰ্থনৈতিক প্ৰগতিত তেওঁলোকৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই বিত্তীয় আহিলাসমূহ বিকশাই তোলা হৈছে।

00000

ৰাষ্ট্ৰীয় উপভোক্তা দিৱস উপলক্ষে কেন্দ্ৰীয় গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি ই-বাণিজ্য মঞ্চসমূহৰ ক্ৰেতাসকলৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰিব পৰা ডাৰ্ক পেটাৰ্ণসমূহ চিনাক্ত কৰা আৰু গ্ৰাহকসকলৰ সৰলিকৰণৰ বাবে ভাৰ্চুৱেল ব্যৱস্থাৰে ভালেমান ব্যৱস্থা মুকলি কৰে। শ্ৰীযোশীয়ে গ্ৰাহকসকলক সুৰক্ষা প্ৰদানৰ লগতে ই বাণিজ্য মঞ্চসমূহৰ ডাৰ্ক পেটাৰ্ণসমূহ চিনাক্ত কৰাৰ উদ্দেশ্যে জাগো গ্ৰাহক জাগো এপ, জাগৃতি এপ আৰু জাগৃতি ডেছবোৰ্ড মুকলি কৰে।

এই উপলক্ষে শ্ৰীযোশীয়ে কয়, যে গ্ৰাহকসকলৰ অধিকাৰ সুৰক্ষিত কৰাৰ লগতে তেওঁলোকক সৱল কৰি তোলাৰ প্ৰতি চৰকাৰ বদ্ধপৰিকৰ। গ্ৰাহকসকলক সুৰক্ষিত, স্বচ্ছ আৰু বিশ্বাসযোগ্য বজাৰ প্ৰদান কৰিবলৈ আৰু ডিজিটেল ক্ষেত্ৰত ব্যৱসায়ীৰ অসাধু পন্থা নিৰীক্ষণ কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীযোশীয়ে ই-বাণিজ্য মঞ্চৰ ব্যৱসায়ী, নাগৰিক সমাজ আৰু নিয়ন্ত্ৰণ কৰ্তৃপক্ষকে ধৰি সংশ্লিষ্ট সকলো পক্ষকে নৈতিক পন্থা আৰু শক্তিশালী গ্ৰাহক অধিকাৰৰ প্ৰসাৰৰ বাবে একেলগে কাম কৰিবলৈ আহ্বান জনায়। এগৰাকী শক্তিশালী গ্ৰাহকেহে এখন শক্তিশালী ৰাষ্ট্ৰৰ ভেঁটি গঢ়িব পাৰে বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। এই উপলক্ষে দিয়া ভাষণত গ্ৰাহক পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী বি এল বাৰ্মাই দেশৰ অৰ্থব্যৱস্থা সৱল কৰি তোলাৰ ক্ষেত্ৰত গ্ৰাহকসকলৰ ভূমিকাক গুৰুত্ব আৰোপ কৰে। দেশত উপভোক্তা বিপ্লৱৰ গুৰুত্বত আলোকপাত কৰি প্ৰতিবছৰে ২৪ ডিচেম্বৰত ৰাষ্ট্ৰীয় উপভোক্তা দিৱস পালন কৰা হয়। এইবছৰ এই দিৱসৰ মুল বিষয়বস্তু হৈছে ভাৰ্চুৱেল শুনানি আৰু উপভোক্তা ন্যায়ৰ বাবে ডিজিটীয় ব্যৱস্থাৰ ব্যৱহাৰ।

00000

যশস্বী চলচ্চিত্ৰ পৰিচালক শ্যাম বেনেগালৰ অন্ত্যেষ্টিক্ৰিয়া আজি বিয়লি মুম্বাইৰ দাদৰৰ শিৱাজী পাৰ্ক শ্মশানত ৰাজ্যিক মৰ্যদা সহকাৰে সম্পন্ন কৰা হয়। পত্নী নীৰা আৰু জিয়ৰী পিয়াৰ লগতে ছবিজগতৰ ভালেসংখ্যক শিল্পী, কলাকুশলীয়ে ৯০ বছৰীয়া চলচ্চিত্ৰ পৰিচালকগৰাকীৰ প্ৰতি শেষ শ্ৰদ্ধা তৰ্পণ কৰে। অন্তেষ্টিক্ৰিয়াত নাছিৰুদ্দিন শ্বাহ, গুলজাৰ, জাভেদ আখতাৰ, ইলা অৰুণ, শিৱেন্দ্ৰ সিং দুংগৰপুৰ, দিব্যা দত্তা, শ্ৰেয়াচ তলপড়ে, বোমন ইৰাণী, কুনাল কাপুৰ আৰু অনম দেশাই প্ৰমুখ্যে ভালেসংখ্যক ন-পুৰণি কলা কুশলী উপস্থিত থাকে।

সপ্তম আৰু অষ্টম দশকত নিউ ৱেভ চিনেমাৰে হিন্দী ছবি জগতত নতুন ধাৰাৰ সৃষ্টি কৰা শ্যাম বেনেগালৰ উল্লেখযোগ্য ছবিৰ ভিতৰত অন্যতম হৈছে **অংকুৰ, মন্থন, ভূমিকা, জুনুন, কলিযুগ, ত্ৰিকাল, সুৰজ কা সাতৱা ঘোঁৰা, মাম্মো, মান্দি, চৰ্দাৰী বেগম, জুবেইদা** ইত্যাদি। শ্বাৱানা আজমী, অনন্ত নাগ, স্মিতা পাটিল, নাছিৰুদ্দিন শ্বাহৰ দৰে বিশিষ্ট অভিনয় শিল্পীক চলচ্চিত্ৰ জগতত প্ৰতিষ্ঠিত কৰোঁৱা বেনেগাল ১৮টা ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা আৰু এটা

ফিল্ম ফেয়াৰ বঁটাৰে বিভূষিত হৈছিল। ২০০৫ চনত দাদা চাহেব ফাল্কে, ১৯৭৬ চনত পদ্মশ্ৰী আৰু ১৯৯১ চনত পদ্ম ভূষণ সন্মানেৰে তেওঁক সন্মানিত কৰা হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে বেনেগালৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এই উপলক্ষে দিয়া এটা শোকবাৰ্তাত প্ৰধানমন্ত্ৰীয়ে কয়, যে বেনেগালৰ চলচ্চিত্ৰ সমূহৰ কাহিনী কথন ৰীতিয়ে ভাৰতীয় চলচ্চিত্ৰত ক্ষেত্ৰত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। তেওঁৰ অৱদানসমূহ সদায় স্মৰণীয় হৈ থাকিব বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণন, মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাৱিছ, উপ-মুখ্যমন্ত্ৰীদ্বয় একনাথ সিন্দে আৰু অজিত পাৱাৰে বেনেগালৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহন আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি চাবুৱাৰ দাখাদেৱী ৰাচিৰাচিয়া মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহত অংশগ্ৰহণ কৰে আৰু সোণালী জয়ন্তী স্মাৰক ভৱনৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে শ্ৰীসোণোৱালে মহাবিদ্যালয়খনে চাবুৱাৰ সমাজৰ প্ৰতি মহাবিদ্যালয়খনৰ অৱদানৰ ভূয়সী প্ৰশংসা কৰে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ অধ্যক্ষতাত উত্তৰাখণ্ডত নতুন ফৌজদাৰী আইন ৩ খনৰ ৰূপায়ণৰ পৰ্যালোচনাৰ উদ্দেশ্যে আজি নতুন দিল্লীত এখন বৈঠকত মিলিত হয়। উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিং ধামি, গৃহ সচিব গোবিন্দ মোহন, উত্তৰাখণ্ডৰ মুখ্য সচিব ৰাতুৰী আৰু জ্যেষ্ঠ বিষয়াসকল বৈঠকত উপস্থিত থাকে।

পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰী ধামিয়ে কয়, যে নতুন ফৌজদাৰী আইন তিনিখন দেশত জুলাইৰ পৰা প্ৰযোজ্য হৈ আছে আৰু উত্তৰাখণ্ডই এই আইন তিনিখন ৰূপায়ণৰ বাবে ক্ষীপ্ৰতাৰে কাম কৰি আছে। বৈঠকত আইন তিনিখন ৰূপায়ণৰ বাবে বৰ্তমানলৈ ৰাজ্যখনত লোৱা ব্যৱস্থাৰ বিষয়ে বিশদভাৱে পৰ্যালোচনা কৰা হয় বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ কয়, যে এই নতুন আইন তিনিখনে দেশক নতুন দিশ প্ৰদান কৰিব।

০০০০০

উপৰাষ্ট্ৰপতি জগদীপ ধনখড়ে বৰদিন উপলক্ষে দেশবাসীক ওলগ জনাইছে। উপৰাষ্ট্ৰপতিগৰাকীয়ে এটা বাৰ্তাত কৈছে যে, বৰদিনে আশা, দয়া আৰু কৰুণাৰ সাৰ্বজনীন বাৰ্তা বহন কৰে। তেওঁ কয়, যে যীশুখ্ৰীষ্টৰ শিকনিসমূহ আজিও প্ৰাসংগিক হৈ আছে আৰু এই শিকনিসমূহে সকলো জনসাধাৰণৰ মাজত বুজাবুজি, সহানুভূতি আৰু পাৰস্পৰিক বিশ্বাসৰ মৌলিক গুৰুত্বৰ কথা সোঁৱৰাই দিয়ে। এই আমাৰ সংবিধানৰ একতা, ন্যায় আৰু ভাতৃত্ববোধৰ প্ৰমূল্যৰ সৈতে এই আদৰ্শৰাজিৰ সামঞ্জস্য আছে বুলিও শ্ৰীধনখড়ে প্ৰকাশ কৰে।

০০০০০

আইচাকে ভালু এইক টংগাৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হৈছে। তেওঁ অহা ফেব্ৰুৱাৰীত শপত গ্ৰহণ কৰিব। তেওঁ যোৱা ৯ ডিচেম্বৰত পদত্যাগ কৰা হুৱাকাভামেলিকু চিয়াওচি চোভালেনিকৰ স্থলাভিষিক্ত হ'ব। ভালু এইকে ২০১০ চনত সংসদলৈ প্ৰথমবাৰলৈ নিৰ্বাচিত হৈছিল আৰু ২০১৪ ৰ পৰা ২০১৭ চনৰ সময়চোৱাৰ ভিতৰত বিত্ত মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ২০২৫ চনত দক্ষিণ প্ৰশান্ত মহাসাগৰীয় দ্বীপৰাষ্ট্ৰৰ নিৰ্বাচনৰ সময়ছোৱালৈকে এবছৰতকৈও কম সময়ৰ বাবে তেওঁ প্ৰধানমন্ত্ৰীৰ পদত অধিস্থিত হৈ থাকিব।

০০০০০

আন্তৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ আই চি চিয়ে ২০২৫ বৰ্ষৰ পুৰুষৰ চেম্পিয়নছ্ ট্ৰফীৰ সূচী ঘোষণা কৰিছে। অহা বছৰ ১৯ ফেব্ৰুৱাৰীৰ পৰা ৯ মাৰ্চলৈ এই প্ৰতিযোগিতা পাকিস্তান আৰু নিৰপেক্ষ স্থান ইউ এ ইত অনুষ্ঠিত হ'ব। যোৱাবাৰৰ চেম্পিয়ন পাকিস্তানে ১৯৯৬ চনৰ পাছৰে পৰা এইবাৰ প্ৰথমবাৰৰ বাবে আন্তৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰিব। ভাৰতক বাংলাদেশ, নিউজিলেণ্ড আৰু পাকিস্তানৰ সৈতে প্ৰতিযোগিতাৰ গ্ৰুপ-এত স্থান দিয়া হৈছে। আফগানিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাক গ্ৰুপ-বিত অন্তৰ্ভুক্ত কৰা হৈছে। ১৯ ফেব্ৰুৱাৰীত কৰাচিত হ'বলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন খেলত পাকিস্তান - নিউজিলেণ্ডৰ সন্মুখীন হ'ব। ভাৰত ২০ ফেব্ৰুৱাৰীত ডুবাইত হবলগীয়া নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ২৩ ফেব্ৰুৱাৰীত ডুবাইত ভাৰত আৰু পাকিস্তানৰ মাজত খেলখন অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত প্ৰথমখন ছেমিফাইনেল ৪ মাৰ্চত ডুবাইত আৰু দ্বিতীয়খন ছেমিফাইনেল ৫ মাৰ্চত লাহোৰত অনুষ্ঠিত হ'ব। ৯ মাৰ্চত একেটা স্থানত ফাইনেল খেলখনো অনুষ্ঠিত হ'ব। অৱশ্যে ভাৰতে চেমি ফাইনেল আৰু ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিলে  এই খেল দুখন ডুবাইত অনুষ্ঠিত হ'ব।

ooooo

সমাপ্ত